জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ৩৫০/২০২২

## লোকনিৰ্মাণ বিভাগ (পথ)ৰ কাম-কাজৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

# ভাৰত চৰকাৰৰ লগতে বিশ্ব বেংক, এডিবি আদি বিভিন্ন সংস্থাৰ সহযোগত ৰাজ্যত ৰূপায়ণ কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্প

## প্ৰকল্পসমূহ ২০২৬ চনৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ কৰ্মসূচী প্ৰস্তুত ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ফটাশিল আমবাৰীস্থিত অসম পথ গৱেষণা তথা প্ৰশিক্ষণ প্ৰতিষ্ঠান চৌহদত লোকনিৰ্মাণ (পথ) বিভাগৰ শীৰ্ষ বিষয়াসকলৰ সৈতে ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী দলং, পলাশবাৰী-শুৱালকুছি সংযোগী দলং নিৰ্মাণ প্ৰকল্পৰ অগ্ৰগতি তথা অসম মালা প্ৰকল্প ৰূপায়ণ সন্দৰ্ভত এক পৰ্যালোচনা বৈঠকত মিলিত হয়। এই বৈঠকত ভূমিস্খলনত ক্ষতিগ্ৰস্ত ডিমা হাছাও জিলাৰ পথ নিৰ্মাণ আৰু ৰাজ্যৰ ১১শ খন কাঠৰ দলঙক পকী দলঙলৈ ৰূপান্তৰিত কৰাৰ সন্দৰ্ভতো বিতংভাৱে আলোচনা কৰা হয়।

বৈঠকৰ অন্তত সংবাদ মাধ্যমক সম্বোধন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ভাৰত চৰকাৰৰ লগতে বিশ্ব বেংক, এছিয়ান ডেভেলপমেণ্ট বেংক আদি বিভিন্ন সংস্থাৰ সহযোগত ৰাজ্য চৰকাৰৰ লোকনিৰ্মাণ বিভাগে কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্প ৰূপায়ণ কৰি আছে। ইয়াৰ ভিতৰত উল্লেখনীয় হৈছে ২৬০৮ কোটি টকা ব্যয় সাপেক্ষ গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী দলং, ৩১৯৭ কোটি টকা ব্যয় সাপেক্ষ পলাশবাৰী-শুৱালকুছি সংযোগী দলং আৰু অসম মালা প্ৰকল্পৰ জৰিয়তে ৰাজ্যৰ বিভিন্ন স্থানত প্ৰথম পৰ্যায়ত ৩৫১৯ কোটি টকা, দ্বিতীয় পৰ্যায়ত ৩৯৯৪ কোটি টকা আৰু আনটো পৰ্যায়ত ৩৮০০ কোটি টকা ব্যয় সাপেক্ষে তিনিটা পৰ্যায়ত পথ যোগাযোগ ব্যৱস্থা শক্তিশালীকৰণৰ বাবে ইতিমধ্যে প্ৰকল্পসমূহ ৰূপায়ণ কৰি থকা হৈছে অথবা ৰূপায়ণৰ কাৰণে লোকনিৰ্মাণ বিভাগে নিবিদা বা আন বিভিন্ন পৰ্যায়ত কাৰ্যক্ৰমণিকাসমূহ আগুৱাই লৈ গৈছে। তেওঁ কয় যে যোৱা কেইটামান দিনৰ ভিতৰত ৰাজ্য চৰকাৰে আৰু দুটা বৃহৎ প্ৰকল্প লাভ কৰিবলৈ সক্ষম হৈছে। সেই দুটাৰ এটা হৈছে ভূমিস্খলনৰ প্ৰভাৱত ক্ষতিগ্ৰস্ত হোৱা ডিমা হাছাও জিলাৰ সম্পূৰ্ণ ৰোড নেটৱৰ্ক নতুনকৈ নিৰ্মাণৰ বাবে ভাৰতবৰ্ষৰ বিত্ত মন্ত্ৰণালয়ে স্বীকৃতি প্ৰদান কৰা ৩৮০০ কোটি টকাৰ এক বৈদেশিক সাহায্য আৰু আনটো হৈছে ১১শ খন কাঠৰ দলঙক পকী দলঙলৈকে ৰূপান্তৰ কৰিবৰ কাৰণে ভাৰত চৰকাৰৰ দ্বাৰা অনুমোদিত ৪ হাজাৰ কোটি টকাৰ প্ৰকল্প।

মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যিক সম্পদ বা পি এম জি এছ ৱাই আদিক বাদ দিলেও প্ৰায় ২৫ হাজাৰ কোটি টকাৰ কামৰ হয় অনুমোদন, নহ'লে ৰূপায়ণৰ পৰ্যায়লৈকে ৰাজ্য চৰকাৰখন অগ্ৰসৰ হ'বলৈ সক্ষম হৈছে। ৰাজ্য চৰকাৰে ৰাজ্যৰ পথ যোগাযোগ ব্যৱস্থাক শক্তিশালীকৰণৰ বাবে মুখ্যমন্ত্ৰী পকীপথ আঁচনি, উন্নত পকীপথ আঁচনি, মথাউৰি নিৰ্মাণ আঁচনি, নবীকৰণ আঁচনিৰ কাম-কাজ ক্ষীপ্ৰতাৰে অব্যাহত ৰাখিছে।

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

তেওঁ কয় যে এই ২৫ হাজাৰ কোটি টকাৰ আঁচনি ভাৰত বিত্ত মন্ত্ৰণালয়ৰ উদ্যোগত অসম চৰকাৰে বিভিন্ন বৈদেশিক সাহায্যৰ জৰিয়তে ৰূপায়ণ কৰি আছে।

মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ৰাজ্যখনত লোকনিৰ্মাণ বিভাগৰ অধীনত চাৰিটা নতুন কাম শিলচৰত অনুষ্ঠিত হোৱা ৰাজ্য চৰকাৰৰ কেবিনেট বৈঠকে অনুমোদন জনাইছে। কেবিনেটে অনুমোদন জনোৱা তিনিখন উৰণ সেঁতুৰ প্ৰকল্প প্ৰস্তুতৰ বাবে লোকনিৰ্মাণ বিভাগে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিছে। এই উৰণ সেঁতু প্ৰকল্পসমূহৰ এটা গুৱাহাটীৰ চাইকেল ফেক্টৰীৰ সন্মুখত, আন এটা ফটাশিল পথৰ ওপৰত আৰু আনটো হ'ল ডাউন টাউনৰ সন্মুখত। তদুপৰি, লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ নতুন টাৰ্মিনেলৰ পৰা আজাৰা হৈ ওলাই অহা নতুন পথ এটা নিৰ্মাণৰ বাবে প্ৰকল্প প্ৰস্তুতৰ বাবে নিৰ্দেশ দিয়া হৈছে বুলি তেওঁ কয়। মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে কয় যে গুৱাহাটীত যাতে যান-জঁটৰ সমস্যাৰ সৃষ্টি নহয় তাৰ বাবে এই প্ৰকল্প চাৰিটা আৰম্ভ হোৱাৰ পূৰ্বে মালিগাঁও আৰু জু-ৰোডৰ উৰণ সেতু দুখনৰ কাম সম্পূৰ্ণ হোৱাৰ ওপৰত সমান্তৰালভাৱে দৃষ্টি ৰখা হৈছে। তেওঁ কয় যে জু-ৰোডৰ উৰণ সেঁতুখনৰ কাম শেষ হৈ যোৱাৰ লগে লগে ৰাজ্য চৰকাৰৰ লোকনিৰ্মাণ বিভাগে গুৱাহাটীৰ সন্দিকৈ মহাবিদ্যালয়ৰ সমীপৰ পইণ্টৰ পৰা ছেবাৰ কাৰ্যালয়ৰ সমীপৰ পুলিচ পইণ্টটো অতিক্ৰম কৰাৰ বাবে প্ৰস্তাৱিত বৃহৎ এলিভেটেড কৰিডৰ নিৰ্মাণৰ বাবে ইতিমধ্যে নিবিদা পৰ্যায়লৈ যোৱাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে এই গোটেইবোৰ আঁচনিয়ে ২০২৬ চনৰ ভিতৰত কিধৰণে সম্পূৰ্ণ কৰিব পৰা যায় তাৰ ওপৰত আজি এক কৰ্মসূচী প্ৰস্তুত কৰা হয়।

আজিৰ এই বৈঠকত লোকনিৰ্মাণ বিভাগৰ বিশেষ আয়ুক্ত সচিব ৰাজেশ কেম্প্ৰাই প্ৰমুখ্যে লোকনিৰ্মাণ বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত আছিল।

**হেঃশঃ**
**০১/১২/২০২২**